**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

ৰাজ্যৰ ব্যক্তিগত বিশ্ববিদ্যালয়ক বৃত্তিগত শিক্ষাৰ অনুমতি প্ৰদান কৰা নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। বিধানসভাৰ মজিয়াত কালি শিক্ষামন্ত্ৰীগৰাকীয়ে **অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ২০২৫** সহ একাধিক বিধেয়ক উত্থাপন কৰি কয়, যে চিকিৎসা অথবা ইয়াৰ সম্পৰ্কিত পাঠ্যক্ৰম, কৃষি অথবা সংলগ্ন পাঠ্যক্ৰম, পশু চিকিৎসা আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যক্তিগত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ দিয়া নহ'ব। শেহতীয়াকৈ ৰাজ্য চৰকাৰে কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ কয়। **এখন ৰাজ্য এটা মান** নীতিৰ ভিত্তিত চৰকাৰে এই সিদ্ধান্ত লোৱা বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে সদনত উল্লেখ কৰে।

০০০০০০০০

পঞ্চায়ত নিৰ্বাচন নিয়াৰিকৈ আৰু ত্ৰুটিমুক্তভাৱে অনুষ্ঠিত কৰাৰ বাবে কাছাৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত কালি এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। এই সভাত আয়ুক্ত মৃদুল যাদৱে সকলো বিষয়া-কৰ্মচাৰীকে স্বচ্ছতা আৰু ন্যায় পৰায়ণতাৰে দায়িত্ব নিৰ্বাহ কৰিবলৈ আহ্বান জনায়। তদুপৰি নিৰ্বাচনৰ সৈতে জড়িত বিভিন্ন বিষয়, প্ৰশাসনিক বিভাগসমূহৰ মাজত সমন্বয় সাধন আৰু নিৰ্বাচনী আচৰণবিধি মানি চলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। আয়ুক্ত শ্ৰী যাদৱে নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি নিৰ্বাচনৰ সময়ছোৱাত কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নোহোৱাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। সভাৰ শেষত নিৰ্বাচনী বিষয়াসকলে সৰ্বসন্মতিক্ৰমে শৃংখলিত আৰু স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০০০

মিজোৰামৰ মুখ্যমন্ত্ৰী লালডুৱমাই তেওঁৰ মন্ত্ৰীসভাৰ সাতগৰাকী মন্ত্ৰীৰ দপ্তৰৰ সাল-সলনি ঘটাইছে। গৃহমন্ত্ৰীৰ দায়িত্বত থকা কে চাপদাংগাৰ হাতৰ পৰা দুৰ্যোগ ব্যৱস্থাপনা আৰু সাহায্য বিভাগ কৰ্তন কৰা হৈছে। ৰাজ্য মন্ত্ৰী লালথিংল'ভাক ক্ৰীড়া আৰু যুৱ কল্যাণৰ লগতে পৰ্যটন বিভাগৰো দায়িত্ব দিয়া হৈছে। ছি লালছয়ভুঙাক কলা-সংস্কৃতি বিভাগ, জিলা পৰিষদ বিভাগ আৰু পশু চিকিৎসা বিভাগৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। ভানলাললানাক জনসংযোগ আৰু ছপা আৰু লেখন সামগ্ৰী বিভাগৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে।

০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে বাকী থকা পৰীক্ষাসমূহ পুনৰ অনুষ্ঠিত কৰিবলৈ পৰিষদে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰশ্নকাকত ফাদিল তথা নতুনকৈ বাকী থকা পৰীক্ষাসমূহ অনুষ্ঠিত কৰাৰ সন্দৰ্ভত কালি অনুষ্ঠিত পৰিষদৰ এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। বাতিল হোৱা পৰীক্ষাসমূহ কেতিয়া অনুষ্ঠিত কৰা হ'ব সেই সন্দৰ্ভত পৰিষদে এতিয়া সিদ্ধান্ত গ্ৰহণ কৰিব পৰা নাই।

ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনৰ সময় ঘোষণাৰ পাছতহে একাদশ শ্ৰেণীৰ পৰীক্ষাৰ সময়সূচী ঘোষণা কৰাৰ সম্ভাৱনা আছে। ইপিনে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে চি আই ডিত এটা গোচৰ ৰুজু কৰা হৈছে। এই গোচৰৰ ভিত্তিত চি আই ডিয়ে ক্ষীপ্ৰতাৰে তদন্ত আৰম্ভ কৰিছে।

০০০০০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানে অহা ২৭ মাৰ্চৰ পৰা ২৯ মাৰ্চলৈ গুৱাহাটীৰ নেডফী কনভেনচন কেন্দ্ৰত ৰাষ্ট্ৰীয় জনজাতি চলচ্চিত্ৰ আৰু সাহিত্য মহোৎসৱৰ আয়োজন কৰিছে। এই মহোৎসৱত চলচ্চিত্ৰ আৰু সাহিত্যৰ জৰিয়তে জনজাতি সম্প্ৰদায়সমূহৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰা হ'ব।

০০০০০০০০

মানকাচৰ চহৰত অৱস্থিত মানকাচৰ জে এম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুনৰ নিৰ্মিত ইনডোৰ ষ্টেডিয়ামখন কালি সন্ধিয়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। ১৯৯০ চনতে নিৰ্মাণ কৰা ষ্টেডিয়ামখন বিগত ৩৫ বছৰে পৰিত্যক্ত হৈ আছিল যদিও প্ৰাক্তন বিধায়ক জাবেদ ইছলামৰ তৎপৰতাত পুনৰ মেৰামটি কৰা হয়। জিলা প্ৰশাসনৰ পৰা ধনৰ আৱণ্টন লাভ কৰা ষ্টেডিয়ামখন প্ৰাক্তন বিধায়ক জাবেদ ইছলামৰ উপস্থিতিত জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই উদ্বোধন কৰে।

০০০০০০০০

সমাগত ৰাভা-হাচং স্বায়ত্ব পৰিষদীয় নিৰ্বাচনক লৈ দুটা ফৈদৰ মাজত সৃষ্টি হোৱা সংঘাত ফলত কামৰূপৰ বকোৰ গামেৰিমূৰাত কালি নিশা হিংসাত্মক ঘটনা সংঘটিত হয়। এই সংঘাটৰ পৰিনতিত ২৪ নম্বৰ লুকী পৰিষদীয় সমষ্টিৰ ৰাভা-হাচাং যৌথ সংগ্ৰাম সমিতি তথা এন ডি এৰ সমৰ্থিত প্ৰাৰ্থী তিলোত্তমা ৰাভাৰ নিৰ্বাচনী কাৰ্যালয়ত দুৰ্বৃত্তই অগ্নি সংযোগ কৰে। লগতে এখন দুচকীয়া বাহনতো অগ্নি সংযোগ কৰাৰ ফলত বাহনখনৰ যথেষ্ট ক্ষতি হয়। প্ৰাৰ্থীগৰাকীয়ে ঘটনা সন্দৰ্ভত আৰক্ষীক খবৰ দিয়াত বকো আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০০

অসম বিধানসভাত আজি বিৰোধী কংগ্ৰেছৰ সদস্যসকলে ৰাজ্যখনৰ জনসাধাৰণৰ ওপৰত বৰ্তমান চৰকাৰে বৃহৎ ঋণৰ বোজা জাপি দিছে বুলি অভিযোগ কৰি প্ৰতিকীৰূপত প্ৰতিবাদ সাবস্ত কৰে। দলটোৰ সদস্যসকলে মূৰত ঋণৰ বোজা লিখা মোনা লৈ সদনত প্ৰৱেশৰ চেষ্টা কৰে।

০০০০০০০০

ধেমাজি জিলাৰ ঘুগুহা দ'লৰ সমীপৰ নিৰ্মিয়মান পথত খান্দি ৰখা গাতত পৰি এজন যুৱকৰ যোৱা নিশা মৃত্যু হয়। আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে প্ৰাঞ্জল প্ৰতিম গগৈ নামৰ যুৱকজনে নিশা দুচকীয়া বাহনেৰে আন এজন বন্ধুৰে সৈতে গৈ থকা অৱস্থাত পথ নিৰ্মাণৰ বাবে খান্দি ৰখা গাতটোত পৰি মৃত্যু ঘটে। আনজন যুৱকক সংকটজনক অৱস্থাত হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

০০০০০০০০

হোজাই জিলাৰ লংকাৰ বাইপাছত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হয়। আমাৰ সংবাদদাতাই জনোৱা মতে ৰাষ্ট্ৰীয় ঘাইপথেৰে মটৰ চাইকেলেৰে আহি থকা লোক এজনে

নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত খুন্দা মৰাৰ ফলত তেওঁৰ মৃত্যু হয়। লোকজন নখুঁটিৰ ২ নম্বৰ চাৰ্কেবস্তি নিবাসী ৰমজান আলী বুলি জানিব পৰা গৈছে।

oooooooo

সমাপ্ত